প্ৰেছ বিজ্ঞপ্তি
৬ জানুৱাৰী,২০১৭

**আৰ বি আয়ে লক্ষ্মী বিলাস বেংকক অৰ্থদণ্ড বিহিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে, লক্ষ্মী বিলাস বেংক লিমিটেড (এল ভি বি)য়ে কাৰেণ্ট একাউন্ট খোলা আৰু ইয়াৰ পৰিচালনা সম্পৰ্কীয় নিৰ্দেশনাৱলী উলংঘন কৰা, নিয়োজক আৰু আকস্মিক গ্ৰাহকলৈ বিল ডিস্কাউন্টিং সুবিধা আগবঢ়োৱা আৰু কে ৱাই চি আচাৰ মানি নচলাৰ বাবে এল ভি বিক ৩০ নিযুত টকাৰ অৰ্থদণ্ড বিহিছে। ৰিজাৰ্ভ বেংকে সময়ে সময়ে জাৰি কৰি অহা নিৰ্দেশনা/নিৰ্দেশনামা/মাৰ্গদৰ্শন উলংঘনৰ বিষয়টো বিবেচনা কৰি বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৪৭(ক)(১)(গ) সমন্বিতে ধাৰা ৪৬(৪)(i)ৰ বিধিব্যৱস্থাৰ অধীনত ৰিজাৰ্ভ বেংকত আৰোপিত ক্ষমতা প্ৰয়োগ কৰি এই অৰ্থদণ্ড আৰোপ কৰা হৈছে।

বিনিয়ামক বাধ্যতাত ক্ৰটিৰ ওপৰত ভিত্তি কৰি এই কাৰ্য ব্যৱস্থা লোৱা হৈছে আৰু বেংকটো আৰু গ্ৰাহকসকলৰ কোনো লেন-দেনৰ বা চুক্তিৰ বৈধতাত হস্তক্ষেপৰ অভিপ্ৰায়েৰে কৰা নাই।

**পৃষ্ঠভূমি**

বেংকটোৰ এটা শাখাত বিল ডিস্কাউন্টিং/ক্ৰয় সম্পৰ্কীয় এটা অভিযোগ ৰিজাৰ্ভ বেংকে পাইছিল। আৰ বি আয়ে অনিয়মবোৰ পৰীক্ষা কৰি চায়। বেংকটোৰ অভিযোগটো আৰ বি আইয়ে লৈছে। আৰ বি আইৰ পৰীক্ষণ আৰু বেংকটোৰ অভিযোগৰ ভিত্তিত ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা নিৰ্দেশনা আৰু বিনিয়ম উলংঘনৰ বাবে বেংকটোক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হয়।

বেংকটোৰ সমিধান আৰু লগতে ব্যক্তিগত উপস্থাপন, দাখিল কৰা তথ্য আৰু নথিসমূহ চালি-জাৰি চাই ভাৰতীয় ৰিজাৰ্ভ বেংক এই সিদ্ধান্তলৈ আহে যে এই উলংঘনসমূহ প্ৰতীয়মান হৈছে আৰু অৰ্থদণ্ড বিহাটো অপৰিহাৰ্য হৈ পৰিছে।

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/১৮১১**

**অল্পনা কিল্লাৱালা**
প্ৰধান উপদেষ্টা